**Volume: 1 Issue: 1 Pages: 28-31**




# বিষয়বস্তুৰ ঐতিহ্য, বৈবিধ্য আৰু প্ৰগতিশীলতাঃ ভূপেন হাজৰিকাৰ গীতৰ এক বিশ্লেষণ

**[*1] মানবেন্দ্ৰ দাস**

[*1] সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়, উত্তৰ প্ৰদেশ, ভাৰত

**Article Info.**
**E-ISSN: 2583-6528**
**Impact Factor (SJIF): 3.477**
**Peer Reviewed Journal**
**Available online:**
**www.alladvancejournal.com**

**Received:** 21/Sep/2022
**Accepted:** 23/Oct/2022

***Corresponding Author**
**মানবেন্দ্ৰ দাস**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়, উত্তৰ প্ৰদেশ, ভাৰত

**Abstract**

ডঃ ভূপেন হাজৰিকা অসমীয়া সংগীত জগতৰ এক চিৰস্মৰণীয় আৰু বহুমুখী প্ৰতিভা, যাৰ সৃষ্টিশীল অবদান কেৱল সংগীততেই সীমাবদ্ধ নাথাকি সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনৰ বিভিন্ন দিশত বিস্তৃত হৈ আছে। তেখেত আছিল একেধাৰে কবি, গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, চলচ্চিত্ৰ নিৰ্মাতা, সাহিত্যিক, সাংবাদিক, শিক্ষক, সমালোচক আৰু ৰাজনীতিবিদ। ইমান বহুমাত্ৰিক প্ৰতিভাৰে সমৃদ্ধ ব্যক্তি বিশ্ব সংস্কৃতিৰ ক্ষেত্ৰত বিৰল বুলিয়েই গণ্য কৰা হয়। অসমৰ সংগীত সাহিত্য জগতৰ পুৰোধা ব্যক্তি আৰু সৰ্বকালৰ জনপ্ৰিয় শিল্পী ডঃ ভূপেন হাজৰিকাৰ গীত সমূহত বিভিন্ন সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু মানৱীয় বিষয়ৰ সুগভীৰ আৰু বহুমাত্ৰিক প্ৰতিফলন দেখা যায়। তেওঁৰ গীতসমূহ কেৱল সংগীতৰ সুৰ -লয়ৰ মাজতে সীমাবদ্ধ নহয়; এয়া তেওঁৰ বিশাল চিন্তা জগতৰ সৃজনশীল প্ৰকাশ। তেওঁৰ সৃষ্টিত প্ৰকৃতিৰ নৈসৰ্গিক সৌন্দৰ্যৰ পৰা আৰম্ভকৰি সাধাৰণ মানুহৰ জীৱনৰ সুখ-দুখ, প্ৰেম-প্ৰণয়ৰ কোমল অনুভূতি, শ্ৰমজীৱি লোকৰ চিন্তা-চেতনা, আশাবাদ, স্বদেশপ্ৰেম, মানৱতাবাদ, বিপ্লৱ আৰু বিদ্ৰোহৰ সুৰ আদি বিভিন্ন বিষয় ঠাই পাইছে। বিষয়বস্তুৰ এনে বৈচিত্ৰ্যতা আৰু বিশালতাই ডঃ হাজৰিকাদেৱক সমগ্ৰ বিশ্বতে জনপ্ৰিয় কৰি তুলিছিল। জনজীৱনৰ লগত জড়িত প্ৰায়বোৰ বিষয়ে তেওঁৰ গীতত পৰিদৃশ্যমান। বিশিষ্ট সংগীতজ্ঞ হাজৰিকাদেৱে বহু সমাজমুখী গীত ৰচনা কৰি অসমীয়া গীতি সাহিত্যৰ ভৰাঁল টনকিয়াল কৰাৰ লগতে অসমীয়া জাতীয় জীৱন চহকী কৰি তুলিছে। এজন গণমুখী গীতিকাৰ, গণশিল্পী হিচাপে ডঃ ভূপেন হাজৰিকাদেৱে সমাজৰ সাধাৰণজনৰ পৰা চহকীজনলৈকে সৰ্বস্তৰৰ লোকৰে মাজত অতি উচ্চস্থান দখল কৰিবলৈ সক্ষম হৈছে। তেখেতৰ গীতত বিষয়বস্তুৰ ঐতিহ্য, বৈবিধ্য আৰু প্ৰগতিশীলতা কেনেদৰে প্ৰতিফলিত হৈছে পৰৱৰ্তী আলোচনাত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**Keywords:** ভূপেন হাজৰিকা, সমাজ জীৱন, মানৱতাবাদ, প্ৰগতিশীলতা, সাহিত্য আৰু সংস্কৃতি।

## Introduction

**অৱতৰণিকাঃ** সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা অসমীয়া সংগীত জগতৰ এক চিৰস্মৰণীয় আৰু বহুমুখী প্ৰতিভা, যাৰ সৃষ্টিশীল অৱদান কেৱল সংগীততেই সীমাবদ্ধ নাথাকি সাহিত্য-সংস্কৃতি আৰু সমাজ জীৱনৰ বিভিন্ন দিশত বিস্তৃত হৈ আছে। তেওঁৰ গীতসমূহ কেৱল সংগীতৰ সুৰ -লয়ৰ মাজতে সীমাবদ্ধ নহয়। তেওঁৰ সৃষ্টিত প্ৰকৃতিৰ নৈসৰ্গিক সৌন্দৰ্যৰ পৰা আৰম্ভ কৰি সাধাৰণ মানুহৰ জীৱনৰ সুখ-দুখ, প্ৰেম-প্ৰণয়ৰ কোমল অনুভূতি, সমাজ চেতনা, সাম্যবাদ, স্বজাতি প্ৰীতি, বিপ্লৱ আৰু বিদ্ৰোহৰ সুৰ, মানৱতাবাদ ইত্যাদি বিভিন্ন বিষয়ে স্থান পাইছে। ডঃ ভূপেন হাজৰিকাৰ গীতসমূহৰ বিষয়বস্তুত ঐতিহ্য আৰু বৈবিধ্যতা এক অন্যতম বৈশিষ্ট্য বুলি ক'ব পাৰি। তেওঁ ঐতিহ্য আৰু পৰম্পৰাক সৃজনশীলভাবে গ্ৰহণ কৰি ৰূপান্তৰৰ প্ৰক্ৰিয়াৰে নতুনত্বৰ এক সুন্দৰ সংমিশ্ৰণ ঘটাইছে। একেদৰে তেওঁৰ গীতৰ বিষয়বস্তুত এক প্ৰগতিবাদী চিন্তাধাৰাৰ প্ৰকাশ স্পষ্টভাৱে পৰিলক্ষিত হয়। বিশেষকৈ শ্ৰেণী বৈষম্য আৰু সামাজিক শোষণৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ, সমাজৰ শোষিত আৰু নিষ্পেষিত জনগণৰ প্ৰতি গভীৰ সহানুভূতিৰ লগতে অৱহেলিত সাধাৰণ মানুহৰ জীৱন সংগ্ৰামৰ প্ৰতি আন্তৰিক সমমৰ্মিতা তেওঁৰ গীতসমূহত

সুস্পষ্টভাবে প্ৰতিফলিত হৈছে। এই সকলো দিশে তেওঁৰ গীতক কেবল সৃজনশীল সাহিত্য হিচাপে নহয়, বৰং এক সামাজিক চেতনাৰ শক্তিশালী মাধ্যম হিচাপে প্ৰতিষ্ঠা কৰিছে। বিশেষকৈ তেওঁৰ গীতৰ বিষয়বস্তুত ঐতিহ্য, বৈবিধ্য আৰু প্ৰগতিশীল চিন্তাধাৰাৰ এক গভীৰ সংমিশ্ৰণ দেখা যায়। আমাৰ আলোচনাত তেওঁৰ গীতৰ বিষয়বস্তুৰ এই তিনিটা গুৰুত্বপূৰ্ণ দিশ ঐতিহ্য, বৈবিধ্য আৰু প্ৰগতিশীলতা বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে।

**অধ্যয়নৰ উদ্দেশ্যঃ** আমাৰ এই আলোচনাৰ উদ্দেশ্য হৈছে ডঃ ভূপেন হাজৰিকাৰ গীতত প্ৰতিফলিত বিষয়বস্তুৰ বৈবিধ্য, যেনে প্ৰেম, প্ৰকৃতি, শ্ৰমজীৱি লোকৰ চিন্তা-চেতনা, আশাবাদ, বিপ্লৱ আৰু বিদ্ৰোহৰ সুৰ, স্বদেশপ্ৰেম, মানবতাবাদ আদি বিশ্লেষণ কৰা লগতে তেখেতৰ গীতত নিহিত প্ৰগতিশীল দৃষ্টিভংগী আৰু সমাজ সংস্কাৰমূলক চিন্তাৰ তাৎপৰ্য নিৰূপণ কৰা।

**অধ্যয়নৰ পৰিসৰঃ** বিংশ শতিকাৰ অন্যতম শ্ৰেষ্ঠ অসমীয়া, মানৱতাবাদী পুৰুষ ডঃ ভূপেন হাজৰিকাৰ গীতত বিভিন্ন বিষয়ৰ সমাহাৰ ঘটিছে কিন্তু সেই সকলোবোৰ গীতকে এই আলোচনাত সামৰি লোৱাটো সম্ভৱ নহয়। সেয়েহে বিশেষভাবে জনপ্ৰিয় কেইটিমান গীতহে আলোচনাৰ আওতালৈ অনা হৈছে।

**অধ্যয়নৰ পদ্ধতিঃ** গবেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক এই দুয়োটা পদ্ধতিৰ সহায়ত আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে। অধ্যয়নৰ বাবে প্ৰয়োজনীয় তথ্যসমূহ বিভিন্ন গ্ৰন্থ, আলোচনী, বাতৰি-কাকতত প্ৰকাশিত প্ৰবন্ধ আদিৰ পৰা সংগ্ৰহ কৰা হৈছে।

## মূল বিষয়বস্তুৰ আলোচনা

**অসমৰ সংগীত আকাশত ডঃ** ভূপেন হাজৰিকা এক অনন্য আৰু অবিস্মৰণীয় নাম। তেওঁৰ গীতৰ বিষয়বস্তু বাৰেৰহণীয়া, ৰামধেনু সদৃশ। ভূপেন হাজৰিকাৰ গীতত প্ৰকৃতি প্ৰেম, সাম্যবাদ, মানৱতাবাদ, প্ৰগতিশীলতা আদি বিভিন্ন বিষয়ৰ উপৰিও আমি তেওঁৰ গীতত বিচাৰি পাওঁ তীব্ৰ ঐতিহ্য চেতনা। হাজৰিকা আছিল ঐতিহ্যৰ প্ৰতি সদা-সচেতন আৰু শ্ৰদ্ধাশীল। ঐতিহ্য চেতনা তেওঁৰ গীতৰ অন্যতম বৈশিষ্ট্য। নিজ দেশ, জাতি, সংস্কৃতি আৰু সমাজৰ প্ৰতি সদায় তেখেত সংবেদনশীল। অসমৰ লোক সংস্কৃতি, লোক সংগীত, নদীকেন্দ্ৰিক সভ্যতা, কৃষি জীৱন, জনজাতীয় সুৰ আৰু মাটিৰ গোন্ধ তেওঁৰ গীতত গভীৰভাৱে প্ৰতিফলিত হৈছে। তেওঁৰ স্বৰচিত গীতৰ উপৰিও বিভিন্নজন গীতিকাৰৰ গীত পৰিৱেশন কৰি সেইবোৰৰ প্ৰসাৰ আৰু সংৰক্ষণত প্ৰভূত পৰিমাণে বৰঙণি আগবঢ়াই গৈছে। তদুপৰি বহু ঐতিহাসিক ঘটনা-পৰিঘটনা, বিভিন্ন ঠাইৰ ইতিবৃত্ত, জনগোষ্ঠীয় অভিজ্ঞতা আৰু বিনন্দীয়া প্ৰকৃতিক প্ৰাণবন্ত ৰূপত গীতৰ মাজত ধৰি ৰাখিছে ভূপেন হাজৰিকাই, যাৰ জৰিয়তে প্ৰকাশ পাইছে তেওঁৰ গভীৰ ঐতিহ্য প্ৰীতি। এনেকুৱা বহু গীত আছে যিবোৰত আমি বিচাৰি পাওঁ হাজৰিকাদেৱৰ তীব্ৰ ঐতিহ্য চেতনা।

১৯৮০ চনত ৰচিত 'মহাবাহু ব্ৰহ্মপুত্ৰ' শীৰ্ষক গীতটি তেওঁৰ এক উল্লেখযোগ্য সৃষ্টি। য'ত ব্ৰহ্মপুত্ৰ নদীক কেবল প্ৰাকৃতিক সম্পদ হিচাপে নহয়, বৰং অসমৰ ঐতিহ্য, ঐক্য, সমন্বয় আৰু সভ্যতাৰ প্ৰতীক হিচাপে চিত্ৰিত কৰা হৈছে। যুগ যুগ ধৰি এই নদীৰ পাৰলৈ বিভিন্ন জাতি, জনগোষ্ঠী, ভাষা আৰু সংস্কৃতিৰ মানুহ মিলিত হৈ এখন সমন্বয়ৰ অসমীয়া সমাজ গঢ় লৈছে-

‘মহাবাহু ব্ৰহ্মপুত্ৰ
মহামিলনৰ তীৰ্থ
ক'ত যুগ ধৰি আহিছে প্ৰকাশি
সমন্বয়ৰ অৰ্থ
সুদূৰ কান্যকুজৰে পৰা বাৰভূঞা আহিছিলে
সেই বংশতে শংকৰদেউ ইয়াতে জনমিলে
মৰুৰ দেশৰে আজানফকীৰে
মধুৰ জিকিৰ ৰচিলে
দিল্লীৰ দিলৱাৰে আহি
হস্তীপুথি আঁকিলে
পঞ্চ নদীৰ তেগ বাহাদুৰে
ধৰমৰ সেতু গঢ়িলে
সমন্বয়ৰ দেখুৱালে ক'ত প্ৰকাশ স্বতঃস্ফূৰ্ত।’১

১৯৭৯ চনত গৌৰীপুৰত ৰচিত ‘গৌৰীপুৰীয়া গাভৰু’ শীৰ্ষক গীতটোত অসমৰ বিশেষকৈ গোৱালপাৰা অঞ্চলৰ লোকজীৱন, হাতী ধৰাৰ ঐতিহ্য, ৰাজকীয় সংস্কৃতি, গ্ৰাম্য জীৱন আৰু নাৰীৰ এক অনন্য প্ৰকাশ দেখা যায়। এই গীতটোৱে কেৱল এক প্ৰেমধৰ্মী বা চিত্ৰধৰ্মী গীত হিচাপে নহয়, বৰং অসমৰ ঐতিহাসিক আৰু সাংস্কৃতিক পৰম্পৰাৰ এক জীৱন্ত দলিল। গীতটোৰ জৰিয়তে গৌৰীপুৰ অঞ্চলৰ সামাজিক পৰিৱেশ, ঐতিহ্যবাহী হাতী ধৰা পদ্ধতি, নাৰীৰ লোকজ ৰূপ আৰু আঞ্চলিক জীৱনৰ প্ৰতিচ্ছবি স্পষ্টৰূপে উদ্ভাসিত হৈছে-

‘গৌৰীপুৰীয়া গাভৰু দেখিলোঁ
হাতী ধৰিবলৈ গৈ
হাতীও ধৰিলোঁ তাইকো মুহিলোঁ
সাঁতুৰি গদাধৰ নৈ হে।
মহলৰ কাষতে নৈৰ পাৰতে
আছিলে অকলে বৈ হে
গৌৰীপুৰীয়া গাভৰু দেখিলো
হাতী ধৰিবলৈ গৈ।’২

ভূপেন হাজৰিকাৰ গীতত ‘লুইত’ কেৱল নদী নহয়- ই অসমৰ আত্মা। অসমীয়া জাতিসত্তা, ইতিহাস, সভ্যতা, সংস্কৃতি আৰু মানৱীয় অনুভৱৰ এক শক্তিশালী প্ৰতীক -

লুইতৰ পাৰ দুটি
জিলিকি উঠিব ৰাতি
জ্বলি শত দেৱালীৰ বন্তি
আহিব কাতিৰে মাহটি
দূৰতে দেৱালীৰ বন্তি
আহিব কাতিৰে মাহটি
দূৰতে দেৱালীৰ বন্তি
অ' ভৰা বৰ লুইতত লুইতপৰীয়া
আমাৰে ভদীয়া টুলুঙা নাৰতে অকলশৰীয়া।৩

ঋতু অনুসৰি প্ৰকৃতিয়ে নন সাজোনেবেনন ৰূপ ধৰে তেনেদৰে দিন-ৰাতিৰ সময় ভেদেও ভিন ভিন হয়। দিনান্তৰ পৰিশ্ৰমৰ অন্তত ঘৰমুখী চৰাইজনীয়ে আবেলিৰ বেলিটোৰ হেঙুলীয়া ৰং সানি লয়। ভূপেন হাজৰিকায়ো অস্তগামী সুৰুযৰ পোহৰত লুইতৰ বৰ্ণনা দাঙি ধৰিছে এনেদৰে-

‘অস্ত আকাশৰে সপোন ৰহণ সানি
ক্লান্ত লুইতৰে
হেঙুলীয়া পানী বৈয়ে যায়, বৈ যায়, বৈ যায়
কোন সুন্দৰৰ শিল্পীয়ে পদুম ফুলৰ নাৱেৰে
ময়ূৰ পংখী ৰহণবোৰ দিয়ে ছটিয়াই...।’৪

লুইতৰ পাৰত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ বিচিত্ৰ জীৱনশৈলীৰ প্ৰতি তেওঁৰ বিশেষ আকৰ্ষণ আছিল। সেয়ে দিচাঙৰ মিচিং চাঙৰ অভিজ্ঞতা সুৰেৰে সজাইছে। ঐনিতমৰ সুৰৰ আকৰ্ষণত মুগ্ধ হৈ তেওঁ নিজেই গাইছে -

'বোলোঁ অ' মিচিং ডেকাটি
বজালি যে পেঁপাটি
সুৰেৰে সজালি দেখোন
দিচাংমুখৰ নিশাটি
মিবুগালুক চোলাটি
পেৰে ৰুমবং চাদৰখন কিয়নো পিন্ধিলি?
মূৰত দেখোন দুমেৰ দি গামোচা আঁটিলি
আৰু তোৰে পুৰুষ দেহাতে
সেউজ ৰঙৰ জীয়া জীয়া ঐনিতমটি।'৫

মানৱতাবাদী পুৰুষ ভূপেন হাজৰিকাই যুগ যুগ ধৰি শোষিত, বঞ্চিত, নিৰ্যাতিত, নিপীড়িত মানুহক জগাই উদাত্ত কণ্ঠে গোৱা একাংশ গীতে সমাজক দিছিল এক প্ৰেৰণাৰ বাৰ্তা। প্ৰখৰ ৰ'দত শিলভাঙি, শ্ৰমদান কৰি নতুনৰ পথ গঢ়োতা শ্ৰমিক সকলৰ জীৱনৰ কৰুণ চিত্ৰ অংকন কৰিছে এনেদৰে-

'ভাঙ! শিল ভাঙ! শিল ভাঙ
ভাঙ ভাঙ ভাঙ ভাঙোতা শিল ভাঙ
তোৰ ঘাম ভৰা নঙঠা পিঠি
তপত ৰ'দত যায় ফাটি
কোমল ভৰিৰ তলুৱাত জ্বলে
তপত ৰঙা ৰঙা মাটি
তথাপি তোৰ নাই গুণ গাওতা।'৬

ভূপেন হাজৰিকাৰ 'ঢাক্ ঢাক্ ঢাক্ ঢাক্... শীৰ্ষক গীতটিৰ মাজেৰে শ্ৰেণী সংগ্ৰামৰ এক জীয়া ছবি অংকন কৰিছে-

'ঢাক ঢাক ঢাক ঢাক
ঢাক ঢাক ঢাক ঢাক ঢাকেই বজালি
লাখ লাখ তঁহত থাকিও একো নেপালি
খাটি খোৱা তহঁতবোৰক দোস্ত কৰি লৈ
কু-বুদ্ধিৰে দৈত্যবোৰে তেজ শুহি লয়।

জন অৰণ্য ধোদ জঘন্য পুঁজিপতি ধন্য
বনুৱা পণ্য, গণ্য মান্য সমাজো অনন্য

শোষকহঁতক নাঙঠ কৰ
কাঢ়ি সিহঁতৰ বস্ত্ৰ!'৭

যুদ্ধৰ বিভীষিকাময় পৰিস্থিতিক কেন্দ্ৰ কৰিও ভূপেন হাজৰিকাই গীত ৰচনা কৰিছিল চীন ভাৰতৰ যুদ্ধৰ সময়ত চীনা সেনাৰ সৈতে যুঁজি শ্বহীদ বৰণ কৰা ভাৰতীয় সৈন্যৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি গীত ৰচনা কৰিছিল এনেদৰে

'কত জোৱানৰ মৃত্যু হ'ল?
কাৰ জীৱন যৌৱন গ'ল?
সেই মৃত্যু অপৰাজেয়।
তেনে মৃতক নহ'লো মই কিয়?'৮

ভূপেন হাজৰিকাৰ গীতত প্ৰগতিশীলতা মানে সমাজৰ কল্যাণ, মানুহৰ মুক্তি আৰু ন্যায় প্ৰতিষ্ঠাৰ এক সৃষ্টিশীল সংগ্ৰাম। তেওঁ গীতৰ জৰিয়তে সমাজক প্ৰশ্ন কৰিছে, জগাই তুলিছে আৰু নতুনৰ পথ দেখুৱাইছে। সেইবাবে তেওঁৰ গীত আজিও শক্তিশালী, অনুপ্ৰেৰণাদায়ক। তেওঁৰ প্ৰগতিশীল চিন্তা চেতনাই অসমীয়া সাহিত্য সংস্কৃতিক এক নতুন মাত্ৰা প্ৰদান কৰিছে। তেওঁৰ 'মানুহে মানুহৰ বাবে...' শীৰ্ষক কালজয়ী গীতটোত প্ৰগতিশীল চিন্তাধাৰা অত্যন্ত শক্তিশালী ভাৱে ফুটি উঠিছে। এই গীতটো মানবতা, সাম্য, সহানুভূতি আৰু সামাজিক দায়বদ্ধতাৰ এক গভীৰ আহ্বান

'মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোঁৱা, সমনীয়া?
মানুহ যদি নহয় মানুহ
দানৱ কাহানিও নহয় মানুহ
যদি দানৱ কাহানিবা হয়েই মানুহ
লাজ পাব কোনেনো কোৱা, সমনীয়া?'৯

'প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক' শীৰ্ষক গীতটোত ভূপেন হাজৰিকাদেৱৰ প্ৰগতিশীল চিন্তাধাৰাৰ অত্যন্ত শক্তিশালী ভাবে প্ৰতিফলিত হৈছে। গীতটোত তেওঁ মানুহক সংকীৰ্ণতা, স্বাৰ্থপৰতা আৰু আত্মকেন্দ্ৰিক মনোভাৱ ত্যাগ কৰি উদাৰতা, সাহস আৰু মানৱ কল্যাণৰ পথত আগবাঢ়িবলৈ আহ্বান জনাইছে। সমাজৰ অন্যায়, শোষণ আৰু বৈষম্যৰ বিপক্ষে দৃঢ়ভাবে থিয় দিয়াটোৱেই প্ৰগতিশীলতাৰ মূল চেতনা। ভূপেন হাজৰিকাদেৱে সমাজখন কেৱল ৰূপান্তৰ কৰিবলৈ বিচাৰিছিল তেনে নহয়, বৰং তেওঁ এইক্ষেত্ৰত সক্ষম বুলিও প্ৰবল আত্মবিশ্বাসী আছিল -

'তুমিয়েইতো কৈছিলা ৰাতিপুৱা
'যিমানে বিলাই দিবা সিমানে মহান হ'বা
তাৰে নাম সঁচা উদাৰতা

মহাকাশে দিলে মোক বিশাল দৃষ্টি
আৰু ধুমুহাই প্ৰচণ্ড শক্তি
বজ্ৰই দিলে মোক উদাত্ত কণ্ঠ
আৰু দিলে সাহসৰ যুক্তি
বজ্ৰৰ কণ্ঠেৰে
ধুমুহাৰ শক্তিৰে
গীত গাই কঁপাম দিগন্ত
দানৱৰ সমাজতো গাম মানৱৰে গীত
কলিজাৰ সঁচা সুৰ সিক্ত।'১০

**উপসংহাৰঃ** ডঃ ভূপেন হাজৰিকাৰ গীতৰ বিষয়বস্তুৰ ঐতিহ্য, বৈবিধ্য আৰু প্ৰগতিশীলতা- আলোচনাৰ ক্ষেত্ৰত অজস্ৰ গীত আছে। আমাৰ আলোচনাত কেইটামানহে গীতহে উল্লেখ তথা আলোচনা কৰা হৈছে। তেখেতৰ গীতবোৰৰ সামাজিক আৰু সাহিত্যিক মূল্য অপৰিসীম। পোনপটীয়া আৰু সৰল তেওঁৰ গীতৰ ভাষা। কিন্তু শব্দৰ ধ্বনি অতি তীব্ৰ আৰু গধুৰ ভাব যুক্ত।সামগ্ৰিক আলোচনাৰ অন্তত এই কথা স্পষ্টভাবে প্ৰতীয়মান হয় যে ডঃ ভূপেন হাজৰিকাৰ গীতসমূহ কেৱল সংগীতৰ ক্ষেত্ৰতেই সীমাবদ্ধ নহয় বৰং সমাজ, সংস্কৃতি, ইতিহাস আৰু মানৱ চিন্তাৰ এক জীৱন্ত দলিল হিচাপে প্ৰতিষ্ঠিত। তেওঁৰ গীত হৈছে ঐতিহ্য, বৈচিত্ৰ্য আৰু প্ৰগতিশীলতাৰ এক সাৰ্থক সমন্বয়। তেওঁৰ সংগীত অসমীয়া সাহিত্য সংস্কৃতিৰ এক অমূল্য সম্পদ, যি কাল, সমাজ আৰু প্ৰজন্মৰ পৰা প্ৰজন্ম অতিক্ৰম কৰি সদায় প্ৰাসংগিক হৈ থাকিব। এই আলোচনাত সেই চিৰন্তন শিল্প সাধনাৰ মূল্য আৰু তাৎপৰ্য পুনৰ উজ্জ্বল ভাবে প্ৰতিষ্ঠা কৰে।

**পাদটীকাঃ**

1. দত্ত, দিলীপ কুমাৰ ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, পৃষ্ঠা নং- ৬০
2. দত্ত, দিলীপ কুমাৰঃ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা নং ১৫০
3. দত্ত, দিলীপ কুমাৰ পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা নং ১৭৫
4. দত্ত, দিলীপ কুমাৰ: পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা নং ১৭৪
5. দত্ত, দিলীপ কুমাৰ: পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা নং ৭৯
6. দত্ত, দিলীপ কুমাৰ: পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা নং- ২৪২
7. দত্ত, দিলীপ কুমাৰ: পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা নং ১৯৯
8. দত্ত, দিলীপ কুমাৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা নং ১২২
9. দত্ত, দিলীপ কুমাৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা নং ২৮৬
10. দত্ত, দিলীপ কুমাৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা নং-

**References:**


1. দত্ত, ডঃ বীৰেন্দ্ৰ নাথঃ অসমীয়া সংগীতৰ ঐতিহ্য, অসম সাহিত্য সভা, চন্দ্ৰকান্ত ভৱন, যোৰহাট ১, দ্বিতীয় প্ৰকাশ, ২০০১
2. গোস্বামী, লোকনাথঃ বন্দিত ভূপেনদা নিন্দিত ভূপেন হাজৰিকা, তৃতীয় প্ৰকাশ, আঁক-বাক, ৩! উপ-পথ নং ৫, নতুন শৰণীয়া, গান্ধীবস্তি, গুৱাহাটী।
3. হাজৰিকা, সূৰ্য্য (সম্পা): গীতাবলী, ডঃ ভূপেন হাজৰিকাৰ গীত সমগ্ৰ, বাণী মন্দিৰ, চন্দ্ৰকান্ত হাজৰিকা পথ, ডিব্ৰুগড়,
4. দ্বিতীয় সংশোধিত আৰু পৰিবৰ্ধিত সংস্কৰণ, ২০০৮
5. হাজৰিকা, ভূপেনঃ কৃষ্টিৰ পথাৰে পথাৰে। গুৱাহাটী, বাণী মন্দিৰ, ২০১০
6. হাজৰিকা, মনাস্মৃতাঃ ভূপেন হাজৰিকাৰ যাউতিযুগীয়া গীত, বাণী মন্দিৰ, দ্বিতীয় প্ৰকাশ, ২০১২
7. দাস, অৰুণলোচন (সংক): অসমৰ সুৱদী সুৰীয়া গীত, ৰেখা প্ৰকাশন, গুৱাহাটী ২৫, প্ৰথম প্ৰকাশ, ২০১০
8. আলি, তফজ্জুলঃ অসমীয়া আধুনিক গীতৰ সংগীতকাৰসকল, প্ৰকাশক ডঃ জগদীশ পাটগিৰি, প্ৰথম প্ৰকাশ - ২০০৫
9. পাঠক, তৰণী আৰু পাঠক ডাকুৱা, মনোমতীঃ ভূপেন হাজৰিকাৰ গীত-সমগ্ৰ চমু বিশ্লেষণ। গুৱাহাটী, পাঠক প্ৰকাশন, ২০০৯। মুদ্ৰিত।
10. কোঁৱৰ, অৰ্পণা (সম্পা): চিৰযুগমীয়া ব্যক্তিত্ব, প্ৰথম প্ৰকাশ, জানুৱাৰী, ২০১৭
11. গোস্বামী, লোকনাথঃ সংগীতৰ উৎপত্তি আৰু ক্ৰমবিকাশ, জাৰ্ণাল এম্পৰিয়াম, প্ৰথম সংস্কৰণ, ২০০৩